# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-08-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। বিটিআৰৰ খিলঞ্জীয়া জনগোষ্ঠীক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ পাছতহে অঞ্চলটোৰ দখলকৃত ভূমিত উচ্ছেদ চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। আজি দেহাৰসান ঘটা বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা, গীতিকাৰ হেমন্ত দত্তৰ অন্ত্যেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যাদাৰে পৈত্ৰিক স্থান মঙলদৈত সম্পন্ন।

৩। অসম গণ পৰিষদৰ শীৰ্ষ নেতৃবৰ্গৰ ডিমাপুৰত এন ডি পি পিৰ নেতা তথা নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নে'ফিউ ৰিঅ'ৰ সৈতে বৈঠক।

৪। ৰাজ্যজুৰি স্বাধীনতা দিৱসৰ ব্যাপক প্ৰস্তুতি। বিভিন্ন স্থানত তিৰংগা সমদলৰ আয়োজন। *আৰু*

৫। ৰাজ্যত নতুনকৈ আৰু ১০ খন নতুন সমজিলা গঠনৰ বিষয়ে কাইলৈ আনুষ্ঠানিক ঘোষণা।

০০০০০

বিটিআৰৰ লোকসকলক ভূমিৰ অধিকাৰ লাভ কৰাৰ পাছতহে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিৰাঙত আজি মন্তব্য কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে প্ৰথমে বিটিআৰৰ ২৬টা জনগোষ্ঠীক ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব। ভূমিৰ অধিকাৰ প্ৰদানৰ পাছতে উচ্ছেদৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যৰ আন প্ৰান্তত মিছন বসুন্ধৰা আঁচনি ৰূপায়ণৰ পাছতহে উচ্ছেদ অভিযান চলোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ শৰ্মাই চিৰাং জিলাত দুখনকৈ কাৰ্যকৰ্তা সভাত অংশগ্ৰহণ কৰে। জিলাখনৰ সদৰ কাজলগাঁও আৰু নিচিমাত অনুষ্ঠিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এইবাৰ বিটিচিৰ ২৬টা জনগোষ্ঠীৰ লোকৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। বিটিচিত দুখীয়া লোকৰ অধিকাৰসমূহ ৰূপায়ণ কৰাৰ বাবেও বিজেপিয়ে এইবাৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি মন্তব্য কৰে। আজিৰ সভাত মন্ত্ৰী কৌশিক ৰায়, বিজেপিৰ ৰাজ্যিক সম্পাদক পল্লৱ লোচন দাস, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়সহ বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০

বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৰসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। এই বিষয়ে আমাৰ এক প্ৰতিবেদন—

গতিশীল সময়ৰ ৰায় মানি কাহানিও উভতি নহা বাটেৰে আজি বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তই বিদায় মাগিছে। (গান ঃ মই যি বাটেৰে....)

সাত দশকৰো অধিক কালজুৰি অসমীয়া গীতি সাহিত্য, অভিনয়, চলচ্চিত্ৰ আৰু নাট্যক্ষেত্ৰলৈ বৰঙণি যোগাই অহা হেমন্ত দত্তৰ গীতসমূহে অগণন শ্ৰোতাৰ হৃদয় জিনিবলৈ সমৰ্থ হৈছে। ১৯৪২ চনত দৰং জিলাৰ খাৰুপেটিয়াত

জন্মলাভ কৰা হেমন্ত দত্তই আকাশবাণী গুৱাহাটীৰ পৰা ১৯৭৪ চনত গীতিকাৰৰূপে স্বীকৃতি লাভ কৰিছিল। আকাশবাণীৰ বাবে ৫০ টাৰো অধিক গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে কেইবাখনো নাটকতো অভিনয় কৰিছিল। (সংলাপ ঃ হেমন্ত দত্ত) আকাশবাণী গুৱাহাটীৰ সাধক সুন্দৰৰ অনুষ্ঠানত তেওঁ এইদৰে মনৰ ভাব প্ৰকাশ কৰিছিল। (ভইচ ঃ হেমন্ত দত্ত) ১৯৬৯ চনত মুক্তি লাভ কৰা ব্ৰজেন বৰুৱা পৰিচালিত **ড০ বেজবৰুৱা** চলচ্চিত্ৰত মুখ্য সহকাৰী পৰিচালক হিচাপে চলচ্চিত্ৰ ক্ষেত্ৰত ভৰি দিয়া দত্তই কেইবাখনো চলচ্চিত্ৰৰ মুখ্য সহকাৰী পৰিচালক আৰু চিত্ৰ নাট্যকাৰ হিচাপে কাম কৰিছিল। ১৯৭৭ চনত নতুন আশা নামৰ চলচ্চিত্ৰৰে অসমৰ চলচ্চিত্ৰত গীত ৰচনাৰ আৰম্ভণি কৰা গীতিকাৰগৰাকীৰ কেইবাটাও কালজয়ী গীতত কেইবাগৰাকীও খ্যাতনামা শিল্পীয়ে কণ্ঠ দিছে। ভালেকেইখন চলচ্চিত্ৰত অভিনয়, শতাধিক নাট ৰচনাৰে অসমৰ অভিনয় আৰু সাহিত্য জগতত অৱদান আগবঢ়াই যোৱা গীতিকাৰগৰাকীক অসম চৰকাৰে সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা আৰু অসম সৌৰভ বঁটাৰে সন্মানিত কৰিছিল। ভ্ৰাম্যমানৰ বাবে টাইটানিক, সেন্দূৰকে ধৰি ভালেমান কালজয়ী নাট ৰচনা আৰু পৰিচালনা কৰা দত্তক ২০১৮-১৯ বৰ্ষৰ ভৰেন্দ্ৰনাথ শইকীয়া বঁটা আৰু ২০১৮ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটাৰে সন্মানিত কৰা হৈছিল। এয়া নিষ্ঠুৰ সত্য যে, তেওঁ আজি কায়িকভাৱে আমাৰ মাজত নাই। কিন্তু গীতেৰে, কথাৰে তেওঁৰ সত্বা চিৰকাল আকাশে-বতাহে মূৰ্তমান হৈ থাকিব।

গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন চৌহদত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি ৰাজ্যৰ সাংস্কৃতিক জগতৰ ভালে সংখ্যক বিশিষ্ট ব্যক্তিয়ে শেষ শ্ৰদ্ধা তৰ্পণ কৰাৰ পাছত হেমন্ত দত্তৰ নশ্বৰ দেহ তেওঁৰ পৈত্ৰিক ভূমি মঙলদৈ লৈ যোৱা হয়। অগণন গুণমুগ্ধৰ উপস্থিতিত মঙলদৈৰ ভেবাৰঘাট ৰাজহুৱা শ্মশানত ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, গুণমুগ্ধ আৰু বহু সংগঠনে তেওঁৰ বিয়োগত শোক প্ৰকাশ কৰিছে। গীতিকাৰগৰাকীৰ বিয়োগে অসমৰ সাহিত্য-সংস্কৃতি জগতত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে বুলি তেওঁলোকে মন্তব্য কৰে।

০০০০০

অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আজি নাগালেণ্ডৰ ডিমাপুৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা নেচনেলিষ্ট ডেম'ক্ৰেটিক প্ৰগেছিভ পাৰ্টিৰ প্ৰতিষ্ঠাপক নে'ফিউ ৰিঅ'ক সাক্ষাৎ কৰে। সাক্ষাতৰ অন্তত অগপৰ সভাপতি শ্ৰীবৰাই সামাজিক মাধ্যমযোগে কয়, যে ৰিঅ'ৰ মুখ্যমন্ত্ৰিত্বৰ সময়ছোৱাত নাগালেণ্ডৰ সৈতে অসমৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় হৈছে। নাগালেণ্ডত শান্তি আৰু উন্নয়নৰ প্ৰতি ত্বৰান্বিত কৰাৰ দিশত ৰিঅ'ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলিও অগপৰ সভাপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে অসমৰ শুভাকাংশী ৰিঅ'ৰ সৈতে বন্ধুত্বক অসম গণ পৰিষদে সদায়েই সন্মান কৰি আহিছে। চুবুৰীয়া ৰাজ্যখনৰ সৈতে সদিচ্ছাৰ বান্ধোন, আঞ্চলিক সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত অসম গণ পৰিষদে গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। সাক্ষাৎকালত নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াং, এন ডি পি পিৰ সভাপতি চিংগৰাং কন্যাক, উপ-সভাপতি ৰুছেমটং লংকুমাৰ উপস্থিত থাকে।

০০০০০

স্বাধীনতা দিৱসলৈ মাজত মাথো তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বিভিন্ন জিলাত **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশৰূপে চাইকেল সমদলৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। ইফালে গুৱাহাটীৰ চানমাৰিত অৱস্থিত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ৫ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰাৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত খাদী ব'ৰ্ডৰ বিপণন শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া বেঞ্জামিন ৰংমায়ে জনোৱা অনুসৰি এইবাৰ স্বাধীনতা দিৱস উপলক্ষে প্ৰায় ২৫ লাখ টকা মূল্যৰ ভিন্ন আকাৰৰ পতাকা প্ৰস্তুতৰ কাম হাতত লোৱা হৈছে। সেই অনুসৰি ১০ গৰাকী শিপিনীয়ে ইতিমধ্যে ৫ হাজাৰ পতাকা প্ৰস্তুতৰ কাম সম্পূৰ্ণ

কৰি তুলিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা ২৫টাকৈ খাদী ভাণ্ডাৰৰ লগতে বিভিন্ন চৰকাৰী বিভাগ, জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পতাকা প্ৰেৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

গোলাঘাট জিলাৰ এ এছ্ আৰ এল এমৰ অন্তৰ্গত বিভিন্ন আত্মসহায়ক গোটৰ সদস্যসকলে হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত হাতে বোৱা ত্ৰিৰংগ পতাকা বিক্ৰী কৰাৰ কাম আৰম্ভ কৰিছে। ইয়াৰ বাবে বিভিন্ন বিক্ৰীকেন্দ্ৰ স্থাপন কৰাৰ লগতে বিভিন্ন কাৰ্যসূচী যুগুত কৰা হৈছে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশস্বৰূপে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা স্বাধীনতা সমদল উলিওৱা হয়।

ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত, আৰক্ষী প্ৰশাসন আৰু জিলা পৰিবহণ বিভাগৰ সহযোগত ধেমাজিত আজি তিৰংগা সমদল উলিওৱা হয়। ধেমাজি জিলা আয়ুক্তই পতাকা জোকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। মটৰচাইকেল সমদলত ধেমাজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকেও অংশগ্ৰহণ কৰে।

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ বেটেলিয়নৰ ডেল্টা কোম্পানী আৰু লাংপি শিশু বিদ্যা নিকেতনৰ সহযোগত তিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাৰ্বত্য জিলাখনৰ লেঙেৰীত অনুষ্ঠিত এই হৰ ঘৰ তিৰংগা কাৰ্যসূচীত তিৰংগা যাত্ৰাৰ উপৰি প্ৰতিটো ঘৰতে জাতীয় পতাকা উৰুৱাই স্বাধীনতাৰ গৌৰৱ অনুভৱ কৰিবৰ বাবে ১২৮ নম্বৰ বেটেলিয়নৰ সহকাৰী সেনাধ্যক্ষ এল শ্বেৰত'ৰে আহ্বান জনাইছে।

গোৱালপাৰা জিলাতো হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোৱালপাৰাই জিলাই আজি জলেশ্বৰ বজাৰত ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰে।

ইপিনে মন্ত্ৰী-বিধায়কসকলক স্বাধীনতা দিৱসৰ অনুষ্ঠানত দেশৰ হৈ প্ৰাণ আহুতি দিয়া ছহিদৰ নাম ল'বলৈ '৪২ৰ ছহিদ পৰিয়াল সমিতিয়ে আহ্বান জনাইছে। ৰাজ্যৰ ২৯ গৰাকী ভাৰত ত্যাগ আন্দোলনৰ ছহিদৰ নাম উল্লেখ কৰি ১৫ আগষ্টৰ দিনটো কেৱল ছহিদসকলৰ স্মৃতিচাৰণ সভা হিচাপে পালন কৰিবলৈও সমিতিয়ে আহ্বান জনাইছে। এই সন্দৰ্ভত '৪২ৰ ছহিদ পৰিয়াল সমিতিৰ সভাপতি দেৱী চৰণ মণ্ডলে এইদৰে কয়—

**বাইট (দেৱী চৰণ মণ্ডল)**

০০০০০

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব। কাইলৈ কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০

শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত যোৱা নিশা এটা দুৰ্বৃত্তৰ দলে প্ৰৱেশ কৰি উপদ্ৰব চলোৱাৰ লগতে বিভিন্ন আচবাব নষ্ট কৰে। দলটোৱে চিকিৎসা মহাবিদ্যালয়খনৰ ডায়েলেচিচ ইউনিটত ডায়েলেচিচ মেচিনৰ ডিছপ্লে, ৰোগীৰ বিচনা, একাধিক কম্পিউটাৰ, চিকিৎসা সামগ্ৰী আৰু বিভিন্ন সা-সঁজুলি নষ্ট কৰে। উল্লেখযোগ্য যে, এই কেন্দ্ৰটোত ১৪ টা ডায়েলেচিচ মেচিন আছিল যদিও এতিয়া ইয়াৰ চাৰিটামানহে কাৰ্যক্ষম হৈ আছে বুলি চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। এই কেন্দ্ৰটোত বিনামূলীয়াকৈ ৰোগীক ডায়েলেচিচৰ ব্যৱস্থা কৰা হয়। ঘটনা সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই ঘুংগুৰ থানাত এজাহাৰ দাখিল কৰাৰ

লগতে জিলাখনৰ আয়ুক্ত, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সঞ্চালক আৰু চিকিৎসা শিক্ষা বিভাগৰ সঞ্চালকক অৱগত কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

00000

অসম ৰাজ্যিক বিত্তীয় আয়োগৰ অধ্যক্ষ ৰাণা প্ৰতাপ কলিতাৰ নেতৃত্বত এটা দলে আজি নগাঁও জিলাত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতিৰ লগতে পৌৰ প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ সচিব তথা সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ সদস্য হেমন্ত কুমাৰ দেউৰীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আৱণ্টিত পুঁজি সমূহৰ ব্যৱহাৰ সম্পৰ্কে বিশেষভাৱে অৱগত কৰে। সভাত অধ্যক্ষগৰাকীয়ে অসম ৰাজ্যিক বিত্ত আয়োগৰ নীতি-নিৰ্দেশনাৰ বিষয়ে উল্লেখ কৰি উপস্থিত সকলোকে আৱণ্টিত পুঁজিৰ সদব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

মৰিগাঁও জিলাতো দলটোৱে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ সকলো পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থাকে। প্ৰতিনিধিসকলে নিজ নিজ এলেকাৰ বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে আয়োগক অৱগত কৰে। আয়োগৰ প্ৰতিনিধিসকলে গ্ৰামোন্নয়ন, আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, খোৱাপানীৰ যোগান আৰু অন্যান্য জনকল্যাণমূলক বিষয় সন্দৰ্ভত মতামত আৰু উন্নয়নৰ বাবে পৰামৰ্শ আগবঢ়ায়। তদুপৰি সমস্যাসমূহ সমাধানৰ বাবে পুঁজিৰ সঠিক বিনিয়োগ আৰু পৰিকল্পিত ব্যৱহাৰত তেওঁলোকে গুৰুত্ব আৰোপ কৰে। পঞ্চায়ত প্ৰতিনিধিসকলৰ পৰা লাভ কৰা পৰামৰ্শসমূহ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত ইয়াক প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেওঁলোকে আশ্বাস দিয়ে।

00000

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি এটা হত্যাৰ গোচৰৰ ৰায়দান কৰি এজন দোষীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। ধেমাজি থানাত পঞ্জীয়ন হোৱা গোচৰটোৰ ৰায়দান কৰি আদালতে লোকজনক দোষী সাব্যস্ত কৰি এই শাস্তি প্ৰদান কৰে। লোকজনক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰা হয় বুলি ধেমাজি আদালতৰ চৰকাৰী অধিবক্তাই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে দোষী সাব্যস্ত হোৱা ভবকান্ত নৰহে ২০১৯ চনত পুত্ৰক হত্যা কৰিছিল।

00000

নগাঁও ক্ৰীড়া সন্থাই আৰ জি বৰুৱা ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ ফাইনেলত প্ৰৱেশ কৰিছে। মৰিগাঁৱৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ দুদিনীয়া খেলখনত নগাঁৱে তিতাবৰ ক্ৰিকেট সন্থাক পৰাস্ত কৰে।

00000

বজালী জিলাৰ নিত্যানন্দৰ সমীপৰ চৌধুৰীপাৰাত আজি বিদ্যুৎস্পৃষ্ট হৈ এজন লোকৰ মৃত্যু হয়। আজি দুপৰীয়া এটা বাসগৃহত বিদ্যুৎ সংযোগৰ বাবে ঘৰত ৰেৰিং কৰি থকা অৱস্থাত বিদ্যুৎস্পৃষ্ট হৈ লোকজনৰ মৃত্যু হয়। লোকজন নিত্যানন্দৰ শাক্তিপাৰৰ ৰাজু কলিতা বুলি জানিব পৰা গৈছে।

00000

সমাপ্ত